১৯এপ্রিল/১৯৬০

বশীৰভাই মহমেদভাই

-বনাম-

বোম্বাই ৰাজ্য চৰকাৰ

(ন্যায়াধীশ জাফৰ ইমাম, ন্যায়াধীশ এ.কে.সৰকাৰ)

*ফৌজদাৰী আইন- অপৰাধ কৰাৰ চেষ্টা- ছিট(প্ৰবঞ্চনা) কৰাৰ চেষ্টা- অভিযোগকাৰীক দিচিবভদ(প্ৰতাৰণা) কৰিব লাগিবই নে- ধাৰা ৫১১, ভাৰতীয় দণ্ডবিধি(XLV, ১৮৬০)।*

প্ৰবঞ্চনা কৰিবলৈ চেষ্টা কৰা অপৰাধ সংঘটিত হ'ব পাৰে যদিও, প্ৰবঞ্চনাৰ চিকাৰ হ'ব লগা ব্যক্তিয়ে তেওঁৰ সন্মুখৰ যোগাযোগত বিশ্বাস নকৰে লগতে তেওঁলোকৰ উপস্থাপনৰ দ্বাৰা বিপথে পৰিচালিতও নহয়, কিন্তু অপৰাধীক ফান্দত পেলোৱাৰ বাবে কেৱল বিশ্বাসৰ ভাও ধৰে।

য'ত মিচ-ৰিপ্ৰেজেন্টেচন(ভুল উপস্থাপন) কৰা হৈছিল আৰু ভুল উপস্থাপনৰ দ্বাৰা প্ৰবঞ্চনা কৰিবলৈ বিচৰা ব্যক্তিসকলৰ পৰা লাভ কৰা ধন, তাত ছিট(প্ৰবঞ্চনা) কৰাৰ চেষ্টা কৰা হয়, কেৱল সেই অপৰাধ সংঘটিত কৰাৰ প্ৰস্তুতি নহয়।

ফৌজদাৰী আপীলীয় ক্ষেত্ৰাধিকাৰ- ফৌজদাৰী আপীল নং ৫৫/১৯৫৫।

১৯৫৫চনৰ ১৩নং ফৌজদাৰী আপীলত বৰোদাৰ চেচন ন্যায়াধীশৰ ১৯৫৫চনৰ ৩১মাৰ্চৰ ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হোৱা ১৯৫৫চনৰ ১২০৮নং ফৌজদাৰী আপীলৰ ক্ষেত্ৰত বোম্বাই উচ্চ ন্যায়ালয়ৰ ১৯৫৭চনৰ ২৬আগষ্টৰ ৰায় আৰু আদেশৰ পৰা বিশেষ অনুমতি সহকাৰে কৃত আপীল।

আবেদনকাৰীৰ পক্ষত *এম. কে. ৰামমুৰ্তি* আৰু *জে. বি. দাদাচাঞ্জী*।

উত্তৰদাতাৰ পক্ষত *আৰ. গণপতি আয়াৰ* আৰু *আৰ. এইচ. ধেবাৰ*।

১৯৬০চনৰ ১৯এপ্ৰিল-ত আদালতৰ ৰায় প্ৰদান কৰে।

**ন্যায়াধীশ সৰকাৰ**- উপধাৰা ৪২০-ৰ সৈতে ভাৰতীয় দণ্ডবিধিৰ ৫১১ আৰু ৩৪ধাৰা অধীনত আবেদনকাৰী আৰু আন দুজনক দণ্ডাধীশৰ দ্বাৰা দোষী সাব্যস্ত কৰা হৈছিল আৰু প্ৰত্যেককে ১২মাহৰ বাবে সশ্ৰম কাৰাদণ্ড আৰু ৫০০টকা জৰিমনাৰ শাস্তি দিয়া হৈছিল, অন্যথা বিনা পৰিশোধে চাৰি মাহৰ কাৰাদণ্ডৰ সময়সীমাৰ বৃদ্ধি। পিছত আপীলৰ ভিত্তিত অভিযুক্ত ব্যক্তিসকলক সত্ৰ ন্যায়াধীশে দোষমুক্ত কৰিছিল। তাৰপিছত ৰাজ্য চৰকাৰে ব'ম্বেৰ উচ্চ ন্যায়ালয়ত আপীল আবেদন কৰিছিল আৰু উচ্চ ন্যায়ালয়ে দোষমুক্ত কৰাৰ নিৰ্দেশ বাতিল কৰি বিদ্বান দণ্ডাধীশে প্ৰদান কৰা নিৰ্দেশ পুনৰুদ্ধাৰ কৰিছিল। কেৱল অভিযুক্ত নং১-এ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ বিৰুদ্ধে এই আদালতত আবেদন কৰিছে।

তিনিওজন অভিযুক্ত ব্যক্তিয়ে ৰমনলাল নামৰ এজন লোকৰ ওচৰলৈ গৈছিল আৰু তৃতীয় অভিযুক্তজনে ৰমনলালক কৈছিল যে, অভিযুক্ত ১ আৰু  ২-ৰ মুদ্ৰাৰ নকল কৰাত দক্ষ আছিল আৰু তেওঁলোকে ৰমনলালৰ বাবে এইকাম কৰিবলৈ সাজু, সেয়ে ৰমনলালে এই প্ৰস্তাৱৰ সুবিধা ল'ব লাগে। তৃতীয় অভিযুক্তজনে তেতিয়া ৰমনলালক এইবিষয়ে চিন্তা কৰিবলৈ কৈছিল আৰু পুনৰ অহাৰ প্ৰতিশ্ৰুতি দিছিল। পিছত ৰমনলালে তেওঁৰ বন্ধু চম্পকলাল-

অভিযোগকাৰীক এই বিষয়ে কৈছিল আৰু দুয়োজনে তেওঁলোকৰ (দাবী কৰাৰ দৰে) নোট নকল কৰাৰ ক্ষমতাক অবিশ্বাস কৰি অভিযুক্ত ব্যক্তিসকলক ধৰা পেলোৱাৰ সিদ্ধান্ত লৈছিল। প্ৰতিশ্ৰুতি অনুসৰি তৃতীয় অভিযুক্তজন পুনৰ আহিছিল আৰু ৰতনলাল আৰু চম্পকলালক লগ ধৰিছিল। চম্পকলালে নকল কৰাৰ বাবে ২০,০০০টকাৰ নোট বিচাৰি উলিওৱাৰ প্ৰতিশ্ৰুতি দিছিল আৰু কেতিয়া কৰিব লাগিব তাৰ বাবে এক নিৰ্দিষ্ট দিন নিৰ্ধাৰণ কৰিছিল। ইয়াৰ পিছতে ৰমনলাল আৰু চম্পকলালে আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে ৰমনলালৰ ঘৰত লুকাই আছিল, য'ত অভিযুক্তৰ সৈতে নকল কৰা হ'ব বুলি ঠিক কৰা হৈছিল। তিনিজন অভিযুক্ত সেই স্থানত নিৰ্দিষ্ট সময়ত উপস্থিত হৈছিল। দ্বিতীয় অভিযুক্তই এখন কাৰ্পেটত বটল, উকা কাগজ আদি মেলি লৈছিল আৰু প্ৰথম অভিযুক্ত- আবেদনকাৰীয়ে চম্পকলালক নোটবোৰ দেখুৱাবলৈ কৈছিল। চম্পকলালে এটা বেগ লৈ আহিছিল, য'ত প্ৰতিশ্ৰুতি অনুসৰি ২০,০০০টকাৰ নোট আছিল, প্ৰত্যেকটো বেগৰ পৰা ১০০টকাৰ দুখনকৈ নোট উলিয়াই আবেদনকাৰীক দিছিল। আবেদনকাৰীয়ে ধন লোৱাৰ লগে লগে চম্পকলালে পূৰ্বনিৰ্ধাৰিত সংকেত দিছিল আৰু লগে লগে আৰক্ষী কোঠালৈ আহিছিল আৰু অভিযুক্ত লোককেইজনক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পিছত চম্পকলালে ইতিমধ্যে উল্লেখ কৰা সিদ্ধান্তৰ সৈতে দাখিল কৰা অভিযোগৰ ভিত্তিত প্ৰবঞ্চনা কৰাৰ চেষ্টাৰ অপৰাধৰ বাবে তেওঁলোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল।

আবেদনকাৰীৰ হৈ বিদ্বান অধিবক্তাজনে তিনিটা যুক্তি দাঙি ধৰিছিল। প্ৰথমে কোৱা হৈছিল যে, অভিযোগটো চম্পকলালক প্ৰবঞ্চনা কৰাৰ চেষ্টাৰ বাবে আছিল কিন্তু, কেনেকৈ কোনোবাই

চম্পকলালৰ লগত যোগাযোগ কৰিছিল– এই কথাৰ কোনো প্ৰমাণ নাছিল। অৱশ্যে নিম্ন আদালতসমূহে এনে এক যোগাযোগ কৰিছিল বুলি সিদ্ধান্ত লৈছিল আৰু আমি ভাবো যে, নথিভুক্ত প্ৰমাণৰ দ্বাৰা সিদ্ধান্তটো স্পষ্টভাৱে সমৰ্থিত হৈছে।

পৰৱৰ্তী যুক্তিটো আছিল এইয়ে যে, প্ৰবঞ্চনাৰ অপৰাধ সংঘটিত কৰাৰ কোনো প্ৰচেষ্টা কৰা হোৱা নাছিল, কিন্তু কেৱল সেই অপৰাধ সংঘটিত কৰাৰ প্ৰস্তুতি আছিল, যি শাস্তিযোগ্য নাছিল। আৰু, আমাৰ মানত এই কথা স্পষ্ট আছিল যে, অপৰাধটো সংঘটিত কৰাৰ প্ৰচেষ্টা প্ৰকৃততে কৰা হৈছিল। এটা ভুৱাকৈ যোগাযোগ কৰিছিল আৰু মুঠ ২০০টকা চম্পকলালৰ পৰা লাভ কৰিছিল। এইবোৰ স্পষ্টভাৱে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৫১১ৰ অধীনত সংঘটিত অপৰাধৰ দিশত কৰা কাৰ্য্য। দৰাচলতে ভুৱা প্ৰতিনিধিত্ব কৰাটো ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৪২০ৰ অধীনত ছিট(প্ৰবঞ্চনা)ৰ অপৰাধৰ এক অন্যতম উপাদান। একেদৰে সম্পত্তিৰ ডেলিভাৰী(যোগান)ও এনে উপাদানসমূহৰ ভিতৰৰ আন এক উপাদান। এই দুয়োটা উপাদান এই গোচৰত মজুত আছিল আৰু অভিযুক্তই সেইবোৰ আনিছিল। সেয়েহে এইকথা ক'ব নোৱাৰি যে, অভিযুক্তজনে কেৱল প্ৰস্তুতিহে কৰিছিল আৰু অপৰাধ কৰাৰ চেষ্টা কৰা নাছিল।

শেষৰটো যুক্তি আছিল যে, দিচিবভদ(প্ৰতাৰণা) কৰাৰ কোনো চেষ্টা কৰা হোৱা নাছিল বাবেই অভিযোগকাৰীগৰাকীক ছিট(প্ৰবঞ্চনা) কৰা হোৱা নাছিল। এইটো সঁচা যে, অভিযোগকাৰীক অন্তৰ্ভূক্ত কৰা হোৱা নাছিল। তেওঁ কেতিয়াও বিশ্বাস কৰা নাছিল যে, অভিযুক্তজনে প্ৰকৃততে নোটৰ নকল

কৰিব পাৰে। তেওঁ কেৱল অভিযুক্তজনক ধৰা পেলোৱাৰ বাবে বিশ্বাসৰ ভাওঁ লৈছিল। কিন্তু, ছিট (প্ৰবঞ্চনা) কৰাৰ প্ৰচেষ্টাৰ ক্ষেত্ৰত এইটোৱে স্পষ্টভাৱে কোনো পাৰ্থক্য নকৰে। অভিযুক্তজনে অভিযোগকাৰীক প্ৰবঞ্চনা কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে এই প্ৰচেষ্টাত বিফল হৈছিল বুলি বিবেচনা কৰাৰ ক্ষেত্ৰত তেওঁলোকে প্ৰবঞ্চনা কৰাৰ চেষ্টাৰ অপৰাধ কৰিছিল নে নাই সেয়া বিবেচনা কৰাটো অপ্ৰাসংগিক। বিষয়টোৰ এই দৃষ্টিভংগী উচ্চ ন্যায়ালয়সমূহত একেধৰণে গ্ৰহণ কৰা হৈছে। *বংগ চৰকাৰ বনাম উমেশ চুন্দৰ মিত্তৰ* [1] ত উপস্থাপন কৰা হৈছিল যে "এজন ব্যক্তিয়ে ছিট (প্ৰবঞ্চনা) কৰাৰ চেষ্টা কৰিব পাৰে, যদিও তেওঁ ছিট (প্ৰবঞ্চনা) কৰিবলৈ চেষ্টা কৰা ব্যক্তিজনক আগতীয়াকৈ সতৰ্ক কৰা হৈছে, আৰু সেয়েহে প্ৰবঞ্চিত কৰা নহ'ব।" এইটো স্পষ্টভাৱে সঠিক দৃষ্টিভংগী।

এই আবেদন সম্পূৰ্ণৰূপে ভিত্তিহীন আৰু এইখন নাকচ কৰা হৈছে।

আবেদন খাৰিজ কৰা হয়।

...............

[1] আই. এল. আৰ. ১৬কেল. ৩১০, ১১৬

.....................................................
..............

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু

বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”